

বানেগৰকা চেঙেলীআটিত স্বাস্থ্য শিবিৰ

প্ৰতিদিন সংবাদ, যোৰহাট, ২১ আগষ্ট ঃ ভোগদৈৰ বানে জলপ্ৰলয়ৰ সৃষ্টি কৰা উত্তৰ-পশ্চিম যোৰহাটৰ শ'লমৰা-চেঙেলীআটিৰ বন্যাৰ্ত লোকৰ সুবিধাৰ্থে ১৬ আগষ্টত বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। যোৰহাট মহাবিদ্যালয়ৰ (একত্ৰীকৰণ) উদ্যোগত যোৰহাট জিলা ঔষধ ব্যৱসায়ী সন্থা আৰু যোৰহাট প্ৰেছ ক্লাবৰ সহযোগত চেঙেলীআটিৰ দিচৈপৰীয়া সমন্বয় কলা কৃষ্টি কেন্দ্ৰৰ প্ৰেক্ষাগৃহত আয়োজন কৰা স্বাস্থ্য পৰীক্ষা শিবিৰত স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে বিনামূলীয়া ঔষধ প্ৰদান কৰা হয়। আৰম্ভণিতে জিলা ঔষধ ব্যৱসায়ী সন্থাৰ সম্পাদক গৌতম বৰুৱা আৰু যোৰহাট প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক বিৰাজ বৰুৱাই শিবিৰত সেৱা আগবঢ়াবৰ বাবে অহা চিকিৎসক আৰু চিকিৎসাকৰ্মীসকলক আদৰণি জনায়। স্বাস্থ্য পৰীক্ষা শিবিৰৰ শুভাৰম্ভ কৰে যোৰহাট কলেজৰ অধ্যক্ষ ড° সৌমিত্ৰ পূজাৰীয়ে। উক্ত অনুষ্ঠানত যোৰহাট প্ৰেছ ক্লাবৰ সভাপতি অনন্ত নাৰায়ণ বৰঠাকুৰে স্বাস্থ্য শিবিৰৰ উদ্দেশ্য সন্দৰ্ভত অৱগত কৰে। উল্লেখযোগ্য যে স্বাস্থ্য শিবিৰত চৰ্মৰোগৰ বিশেষজ্ঞ ডাঃ প্ৰাঞ্জল জ্যোতি দত্তৰ লগতে মেডিচিন বিভাগৰ ডাঃ পুষ্প কছাৰী আৰু ডাঃ সৰ্বেশ্বৰ আগৰৱালাই সেৱা আগবঢ়ায়। শিবিৰত জিলা ঔষধ ব্যৱসায়ী সন্থাৰ তৰফৰ পৰা কোষাধ্যক্ষ ৰঞ্জিত সোমানী, উপ-সভাপতি ৰঞ্জিত বৰদলৈ, যুটীয়া সম্পাদক অম্বৰীশ বৰুৱা, উপদেষ্টা সুশীল ভট্ট, উপ-সভাপতি হাৰুণ গণি, গোপাল কাৰ্নানী, মনোজ মোডী, চিণ্টু সৰকাৰ, জিতুমণি শৰ্মা, শাংকৰ শৰ্মা, প্ৰাঞ্জল প্ৰতিম বৰা, অমৃত মহতা, প্ৰণৱ দত্ত, সত্যজিৎ শৰ্মা আদিয়ে অংশগ্ৰহণ কৰে। যোৰহাট কলেজৰ তৰফৰ পৰা অধ্যক্ষৰ লগতে শিক্ষক ক্ৰমে ড° ৰঞ্জিত ভট্টাচাৰ্য, স্বপ্নাজ্যোতি বৰা, ড° ৰশ্মি দাস, দৰ্শনা অধ্যাপক, তৰুণ লহং আৰু শুভ্ৰজ্যোতি চন্দই বিভিন্ন দিশত সহযোগিতা আগবঢ়ায়। স্বাস্থ্য শিবিৰৰ বিভিন্ন দিশত কলেজৰ ছাত্ৰ একতা সভাৰ সভাপতি অবিনাশ শৰ্মা আৰু সম্পাদক ৰক্তিম বৰাৰ নেতৃত্বত এন এছ এছ গোটেও সেৱা আগবঢ়ায়। উল্লেখযোগ্য যে স্বাস্থ্য শিবিৰৰ সৈতে সংগতি ৰাখি যোৰহাট কলেজে এলেকাটোৰ বানত ক্ষতিগ্ৰস্ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন কিতাপ, বহী বিতৰণ কৰাৰ লগতে ঔষধ ব্যৱসায়ী সন্থাৰ তৰফৰ পৰা স্কুল বেগো প্ৰদান কৰা হয়।